**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 25-11-2024 **Time :** 1205 Hrs

***Assamese Midday (1205 Hrs.) Bulletin***

আজিৰেপৰা সংসদৰ শীতকালীন অধিৱেশন আৰম্ভ হৈছে। বিৰোধীয়ে সৃষ্টি কৰা হুলস্থূলীয়া পৰিৱেশৰ বাবে আজি ৰাজ্যসভাৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখা হৈছে। লোকসভাতো হুলস্থুলীয়া পৰিৱেশৰ বাবে অধ্যক্ষই সদনৰ কাম-কাজ প্ৰথমে দিনৰ ১২ বজালৈকে আৰু পাছত দিনটোৰ বাবে স্থগিত ৰখা হয়।

00000000

অসম ৰাজ্যিক বিদ্যালয় পৰিষদে অহা বছৰ হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰপত্ৰ পূৰণৰ বাবে আজি পুনৰ পৰ্টেল মুকলি কৰিছে। সেই অনুসৰি প-পত্ৰ পূৰণৰ বাকী থকা সকলো কাম কাইলৈৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ পৰিষদে সংশ্লিষ্ট শিক্ষানুষ্ঠানসমূহক আহ্বান জনাইছে। পৰিষদে এটা নিৰ্দেশনাত উল্লেখ কৰা মতে পূৰ্বে পূৰণ কৰা প্ৰ-পত্ৰত কোনো আসোঁৱাহ ৰৈ গ'লে সেইসমূহো কাইলৈৰ ভিতৰত আঁতৰ কৰিব পৰা যাব। একেদৰে পৰহিলৈ মাচুল আদায়ৰ অন্তিম তাৰিখ নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে অহা বৰ্ষত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ বাবে পৰিষদে অনলাইন পৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ দিন ঘোষণা কৰিছিল। সেই অনুসৰি যোৱা ২৩ অক্টোবৰৰ পৰা ১৪ নৱেম্বৰলৈ বিদ্যালয়সমূহে sebaregistration.org শীৰ্ষক পৰ্টেলৰ জৰিয়তে প্ৰপত্ৰ পূৰণ কৰিব পাৰিব বুলি ঘোষণা কৰিছিল যদিও ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে আজি পুনৰ পৰ্টেলটো মুকলি কৰি দিয়া হৈছে। প্ৰপত্ৰ পূৰণৰ দিন পৰৱৰ্তী সময়ত আৰু বৃদ্ধি কৰা নহয় বুলি পৰিষদে স্পষ্টভাৱে জনাইছে। লগতে অফলাইনত কোনো ধৰণৰ প্ৰপত্ৰ গ্ৰহণ কৰা নহয় বুলিও প্ৰকাশ কৰিছে।

00000

কাজিৰঙাত কাইলৈৰ পৰা অহা ২৯ নৱেম্বৰলৈকে ৪ দিনীয়া কাৰ্যসূচীৰে আন্তঃৰাষ্ট্ৰীয় পৰ্যটন মেলা অনুষ্ঠিত হ'ব। অসমৰ পৰ্যটনক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উৎকৰ্ষ সাধনৰ বাবে অসম পৰ্যটনৰ সহযোগত কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ে এই মেলাৰ আয়োজন কৰিছে। দেশী-বিদেশী অতিথিসকলক আদৰিবলৈ ৰাষ্ট্ৰীয় উদ্যানখনত ইতিমধ্যে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈ উঠিছে। কেন্দ্ৰীয় পৰ্যটন মন্ত্ৰালয়ৰ ১৮০ গৰাকী প্ৰতিনিধিৰ লগতে বিভিন্ন দেশৰ ২০ গৰাকী প্ৰতিনিধিয়ে পৰ্যটন মেলাত অংশগ্ৰহণ কৰিব। বিদেশী অতিথিসকলে কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান আৰু হাতীখুলি চাহ বাগিচাৰ লগতে কাজিৰঙা জাতীয় অৰ্কিড উদ্যানো পৰিদৰ্শন কৰিব। উল্লেখযোগ্য যে পৰ্যটন মেলালৈ অহা বিদেশৰ প্ৰতিনিধিসকলৰ অৰ্কিড উদ্যান ভ্ৰমণ বাধ্যতামূলক কৰাৰ ফলত অনাগত সময়ত অৰ্কিড উদ্যানলৈ অহা পৰ্যটকৰ সংখ্যা বৃদ্ধি পাব বুলি উদ্যান কৰ্তৃপক্ষই আশা প্ৰকাশ কৰিছে।

00000000

গোৱাত চলি থকা ৫৫ সংখ্যক ভাৰত আন্তৰ্জাতিক চলচ্চিত্ৰ মহোৎসৱৰ আজি ষষ্ঠ দিন। মহোৎসৱত কালি ৰাজেশ ভূঞাই পৰিচালনা কৰা স্বৰ্গৰথ ছবিখন প্ৰদৰ্শিত হয়। ভাৰতীয় পেনোৰামালৈ নিৰ্বাচিত ছবিখনে দেশ-বিদেশৰ বহু দৰ্শকৰ বিপুল সমাদৰ লাভ কৰে। উল্লেখযোগ্য যে এই চলচ্চিত্ৰ মহোৎসৱৰ মূল শাখাত এইবাৰ মুঠ ২৭০খন ছবি প্ৰদৰ্শন কৰিবলৈ লোৱা হৈছে। বিভিন্ন শিতানত এইবাৰ প্ৰায় ৪০০ খন ছবি প্ৰদৰ্শিত হ'ব। ইয়াৰ ভিতৰত বিশ্বৰ ৮১খন দেশক প্ৰতিনিধিত্ব কৰা ১৮০খন বিদেশী ছবি আছে। এইবাৰৰ মহোৎসৱত অষ্ট্ৰেলিয়াক মূল

দেশৰূপে স্বীকৃতি দিয়া হৈছে আৰু অষ্ট্ৰেলিয়াৰ ছবি নিৰ্মাতা মাৰ্কেল গ্ৰেচিৰ ছবি দ্যা বেটাৰমেনৰ প্ৰদৰ্শনৰে এইবাৰৰ মহোৎসৱৰ শুভাৰম্ভ কৰা হয়।

০০০০০০০

ৰাজ্যৰ দুগৰাকী প্ৰতিভাৱান খেলুৱৈ নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালে আজিৰেপৰা নিউজিলেণ্ডৰ অ'কলেণ্ডত হ'বলগীয়া বিশ্ব ব'লছ চেম্পিয়নছ অৱ চেম্পিয়নছ প্ৰতিযোগিতাত দেশক প্ৰতিনিধিত্ব কৰিব। এই প্ৰতিযোগিতাত কেৱল ৰাষ্ট্ৰীয় চেম্পিয়নসকলকহে নিজ নিজ দেশক প্ৰতিনিধিত্ব কৰাৰ অনুমতি প্ৰদান কৰা হৈছে। ৰাজ্যৰ ল'নবল সংস্থাৰ সভাপতি দূৰ্গা দাস বড়ো আৰু সম্পাদক নৱ বসুমতাৰীয়ে খেলুৱৈ দুগৰাকীক শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজত পাৰ্থত চলি থকা প্ৰথম টেষ্টৰ আজি চতুৰ্থ দিনা পৰাজয়ৰ হাত সাৰিবলৈ ঘৰুৱা দল অষ্ট্ৰেলিয়াই মৰণপণ যুঁজ দিছে। জয়লাভৰ বাবে দ্বিতীয় ইনিংছত ৫৩৩ ৰানৰ বৃহৎ লক্ষ্য অনুসৰণ কৰি অষ্ট্ৰেলিয়াই শেহতীয়া বাতৰি অনুসৰি ৭ উইকেটৰ বিনিময়ত ১৯০ ৰান সংগ্ৰহ কৰিছে। এলেক্স কেৰীয়ে ৫ আৰু মিছেল ষ্টাৰ্কে ৪ ৰান কৰি বেট ধৰি আছে। ভাৰতৰ হৈ অধিনায়ক যশপ্ৰীত বুমৰা আৰু মহম্মদ ছিৰাজে ৩ টাকৈ আৰু নীতিশ ৰেড্ডীয়ে এটা উইকেট দখল কৰিছে। ইয়াৰ আগতে আজি পুৱা কালি ৩ উইকেটৰ বিনিময়ত সংগ্ৰহ কৰা ১২ ৰানৰ পৰা খেলিবলৈ লৈ অষ্ট্ৰেলিয়াই আৰু চাৰিটা উইকেট হেৰুৱায়।

০০০০০০০

সমাপ্ত